# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXIV | MARCH 2024 | No. 09


### পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভুৰ প্ৰশংসা হওক !

**গীতমালা ৩১ঃ১৭-২৪**

১৭) হে যিহোৱা মোক বঞ্চিত হবলৈ নিদিবা কিয়নো মই তোমাৰ আগত প্ৰাৰ্থনা কৰিছো, দুষ্টবোৰ বঞ্চিত হওক, সিহঁতে চিয়োলত নিজম দি থাকক।

১৮) যি মিছলীয়া ওঠে অহঙ্কাৰ আৰু হেয়জ্ঞানেৰে ধাৰ্মিকবিলাকৰ বিপক্ষে গৰ্ব্ব কথা কয়, সেয়ে বোবা হওক।

১৯) যি মঙ্গল তোমালৈ ভয় ৰাখোতাবিলাকৰ নিমিত্তে তুমি সাঁচি থৈছা, যি মঙ্গল মনুষ্য সন্তানবিলাকৰ সাক্ষাতে, তোমাত আশ্ৰয় লোৱা লোকলৈ তুমি সাধন কৰিছা, তুমি দিয়া সেই মঙ্গল কেনে মহৎ।

২০) তুমি মনুষ্যবিলাকৰ কুমন্ত্ৰনাৰ পৰা সিবিলাকক তোমাৰ শ্ৰী মুখৰ গুপ্তস্থানত লুকুৱাই ৰাখোতা, জিবাবোৰে বিৰোধ কৰাৰ পৰা সিবিলাকক তোমাৰ আবাসত ৰাখোতা।

২১) যিহোৱা ধন্য হওক, কিয়নো তেওঁ এখন দৃঢ় নগৰত মোলৈ আচৰিত দয়া কৰিলে।

২২) মই মনৰ অধৈৰ্য্যত কৈছিলো, “মই তোমাৰ দৃষ্টিৰ পৰা উচ্ছন্ন হ'লো।” তথাপি মই তোমাৰ আগত কাতৰোক্তি কৰাৰ সময়ত, তুমি মোৰ কাকুতিৰ স্বৰ শুনিলা।

২৩) হে যিহোৱাৰ সাধুবিলাক, তেওঁক প্ৰেম কৰা, যিহোৱাই বিশ্বাসীবিলাকক ৰক্ষা কৰে, কিন্তু গৰ্ব্ব আচৰণ কৰোতাবোৰক অধিক প্ৰতিফল দিয়ে।

২৪) হে যিহোৱালৈ অপেক্ষা কৰোতাবিলাক, বলৱন্ত হোৱা, তোমালোকৰ হৃদয় সাহিয়াল হওক।

## ঈশ্বৰৰ অনিশ্চয়তাৰ লগত অনিশ্চিত সময়বোৰ !

## UNCERTAIN TIMES WITH THE CERTAINTY OF GOD!

*মাননীয় প্ৰধান সম্পাদক ৰেভাঃএঞ্জেলীন ছেলভাকুমাৰী*

***Hon. Editor-in-Chief, Rev. Angeline Selvakumari***



তুমিয়েই সেই আচৰিত কৰ্ম কৰোঁতা ঈশ্বৰ, সকলো জাতিৰ মাজত তুমি তোমাৰ পৰাক্ৰমৰ পৰিচয় দিছা - গীতমালা ৯৯ঃ১৪

যীচু খ্ৰীষ্টৰ নামত শুভেচ্ছা জনালো !

পুনৰ এবাৰ এই বিষয় বস্তুসমূহৰ যোগেদি আপোনালোকক লগ পাই অতি আনন্দিত হৈছো। এই ২০২৪ বৰ্ষৰ আমি ইতিমধ্যে দুটা মাহ সম্পূৰ্ণ কৰিছো। এনে লাগিছে যেন সময় অতি বেগেৰে উৰি আছে। গীতমালা ৭৭ অধ্যায়টিয়ে ঘোষনা কৰি কয় যে যিজন ঈশ্বৰক আমি বিশ্বাস কৰো, সেই জনাই তেওঁৰ লোকবিলাকলৈ তেওঁৰ পৰাক্ৰমৰ পৰিচয় দিয়া এজন ঈশ্বৰ। আমাৰ ভাৰসাত তেওঁ আনন্দ কৰে আৰু তেওঁ অসম্ভৱ কাৰ্য্য কৰিবলৈ আগ্ৰহেৰে অপেক্ষা কৰে।

আমাৰ জীৱন যাত্ৰাত অনেক অপ্ৰত্যাশিত বেকা-বেকি পৰিস্থিতিবোৰেৰে পৰিপূৰ্ণ হৈ আছে, যেনে- গতি সঙ্গাত, অন্ধ দাগবোৰ, বেকা-বেকি, অকস্মাতে ডুব যোৱা আৰু অন্যান্য পৰিস্থিতিবোৰে অতিকৈ অনিশ্চিত কৰি দিয়ে। এই অপৰিচিত পথবোৰত যাত্ৰা কৰোতে অনেক পৰিবৰ্ত্তনবোৰ আহে আৰু অনেক প্ৰত্যাহৱানবোৰ আহে।

*৩ পৃষ্ঠাত চাওঁক*




ইখ অফ হীজ কল

৫ মিনিট বাৰ্তা

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে

প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

**ইংৰাজী, হিন্দী, তামিল আৰু তেলেগু**

প্ৰত্যেক দিনে পুৱা ২ বজাত

**তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত**

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)

50 ECHO OF HIS CALL 1969-2019 REACHING NATIONS





## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



> "ইশ্বৰ যিহোৱা ইস্ৰায়েলৰ ইশ্বৰ,
> ধন্য হওক যিজন কেৱল আচৰিত কৰ্ম কৰোতা।" - গীতমালা ৭২ঃ১৮

প্ৰভূত মোৰ প্ৰিয় লোকসকল,

আমাৰ প্ৰভূ যীচু খ্ৰীষ্টৰ অতুলনীয় নামত আমি আপোনালোকক শুভেচ্ছা জনাইছো।

যোৱা কিছুমান মাহত প্ৰভূৱে আমাৰ পৰিচৰ্য্যাক আমাৰ মাহেকীয়া আলোচনী, তেওঁৰ আহবানৰ প্ৰতিধ্বনীৰ মাধ্যমৰ যোগেদি মুক্তি পোৱা তেওঁৰ প্ৰেমৰ বাৰ্ত্তাসমূহৰ পৰা দূৰৈত থকা লোকসকলক ইশ্বৰে



নিশা নতুন বছৰৰ আদৰণি প্ৰাৰ্থনা

লগ কৰিছে। যোৱা ২০২৩ ৰ ডিচেম্বৰ মাহৰ ৩১ তাৰিখৰ নিশা নতুন বছৰৰ আদৰণী প্ৰাৰ্থনা উপাসনাত ঈশ্বৰে অতিকৈ আশীৰ্বাদ কৰিলে।

পালক. পি. আৰকিয়া দাচ, যিজনে নহিমিয়া বাইবেল কলেজত অধ্যয়ন কৰিছিল, তেওঁ এতিয়া ভালাচাৰাভাক্কামত থাকে। তেওঁ আমাৰ মূখ্য প্ৰশাসনিক কাৰ্য্যালয়লৈ আহিছিল আৰু তেওঁৰ শক্তিশালী সাক্ষ্য দিছিল। তেওঁ তাত এটা নতুন পৰিচৰ্য্যা আৰম্ভ কৰিছিল।



জ্যেষ্ঠ পালকৰ সৈতে পালক পি.আৰ. কিয়াদাচ



জ্যেষ্ঠ পালকৰ সৈতে ভাই সুৰেশ তিৰগে আৰু তেওঁৰ পুত্ৰ অভিনাশ তিৰগে

### আমাৰ মিশ্বন নীতি

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।


**HON. EDITOR-IN-CHIEF**
Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.

**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.

**GENERAL MANAGER**
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM., MBA.

**ADMINISTRATION**
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)

**EDITORIAL BOARD**
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Sis. L. Mariya Anjalin, M.A., M.Sc., B.Ed.
Rev. Dr. K.R. Rajasekaran



**EDITOR, PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers


10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858 95661 31858

**E.MAIL**
sam@echoofhiscall.org
biblecor@yahoo.co.in

**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.com

**YOUTUBE CHANNEL**
Echo of His Call



**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) ◘ BIBLECOR - Postal Courses (3 languages) ◘ YouTube Ministry ◘ Online Courses ◘ Theological Correspondence Courses (2 languages) ◘ Church Planting ◘ Nehemiah Bible Colleges ◘ Gospel Printing Press ◘ Great Commission Partners ◘ St. Paul's Matriculation School ◘ Crusades ◘ Community Development

চত্তিশগড় ৰাজ্যৰ পৰা ভাই, সুৰেশ তিৰগে আৰু তেওঁৰ পুত্ৰ অভিনাশ তিৰগে আৰু তেওঁৰ সম্পৰ্কীয় লোকসকলৰ সৈতে আমাৰ কেন্দ্ৰ মণ্ডলীলৈ আহিছিল। তেওঁ আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনী মাহেকীয়া আলোচনীখন হিন্দীত পঢ়ি থাকে আৰু ইয়াৰ দ্বাৰাই তেওঁ বহুত আশীৰ্বাদ পাইছে, গতিকে তেওঁ প্ৰভূ যীচু খ্ৰীষ্টৰ নামক মহিমান্বিত কৰিলে।



**মাহাবালিপুৰামত এদিনীয়া সভা**

আমাৰ প্ৰভূৰ বাবে আগত থাকি পৰিচৰ্য্যা কৰা কৰ্মীসকলৰ বাবে দয়া কৰি প্ৰাৰ্থনা কৰক কিয়নো তেওঁলোকে আমাৰ কেন্দ্ৰ মণ্ডলীৰ বিভিন্ন কাৰ্য্যকলাপ বিলাকত সেৱা আগবঢ়াই আছে।

যোৱা ২৬/০১/২০২৪ তাৰিখে মাহাবালিপুৰামত আমাৰ নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ আৰু মণ্ডলীৰ যুৱক-যুৱতীসকলৰ বাবে এটি এদিনীয়া সভাত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

উত্তৰ ভাৰতৰ পৰা আহি ইয়াত চাকৰি কৰা লোকসকললৈ শুভবাৰ্ত্তা দিবলৈ আমাৰ হিন্দী মাধ্যমত নহিমিয়া বাইবেল কলেজত বাসগৃহত থাকি অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলে অলপতে উত্তৰ ভাৰত পৰিচৰ্য্যাৰ বাবে নিজকে সমৰ্পিত কৰা আমাৰ প্ৰিয় ভাই উকিল ধৰ্মৰাজ, পালক ফ্ৰাস্কলিন আৰু পালক দেৱাদাচৰ লগত লগ লাগি এটা দীৰ্ঘলীয়া পৰিকল্পনাক আগবঢ়াই নিয়াত ঈশ্বৰে সহায় কৰিলে।



আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনীৰ ঈশ্বৰৰ সকলো পৰিচৰ্য্যাবিলাকৰ বাবে দয়া কৰি প্ৰাৰ্থনা কৰক।

ইশ্বৰৰ অনুগ্ৰহ সদায় আপোনালোকৰ লগত থাকক। আমেন।

**পালক এলেক্স চামচন চাম আৰু**

**এচ, চাম ছেলভা ৰাজ**

(+91) 98412 71858 / 98410 71858,

Email : sam@echoofhiscall.org

## Kind Attention: Echo of His Call Readers

Our 5 minute **Echo of His Call** YouTube messages are being broadcasted from 2.00 A.M. in Tamil, Telugu, English and Hindi (everyday). You can receive the Grace of God by watching the messages.

Moreover, save my mobile numbers (+91) 98410 71858, (+91) 98412 71858 (personal) in your mobile phones.

- Pr. S. Sam Selva Raj

*....Contd. from page 1*

যেতিয়া মই গাড়ী চলাওঁ, মই সদায় ইয়াৰ চলোৱা প্ৰক্ৰিয়াৰ ওপৰত মনটো দিওঁ। প্ৰথমতে, মই হেৰাই নোযোৱাকৈ মোৰ গন্তব্য স্থানটোলৈ গৈ পোৱাৰ নিশ্চিত কৰো আৰু দ্বিতীয়তে গুৰুত্ব সহকাৰে জানিবলৈ চেষ্টা কৰো যে আগত ৰাস্তাৰ অৱস্থাটো কি ধৰণৰ আছে। মই পাহাৰীয়া অঞ্চলত বাস কৰো, তাৰ মানে মই সদায় উঠা আৰু নমাৰ সন্মুখীন হওঁ। এপ্লিকেশ্বন যেনে - গুগুল মেপৰ সহায় লওঁ আৰু তাৰে সহায়ত মই নিৰাপদে গাড়ী চলাই আগলৈ যাওঁ। উদাহৰণস্বৰূপে, যেতিয়া মই আগত বেঁকা পথ দেখো, মই অভাৰটেক নকৰো আৰু অভাৰটেক কৰিবলৈ মই পোন পথৰ বাবে যুগুত হৈ থাকো, আন্ধাৰ ঠাইত লাহে লাহে আৰু আনকি অপৰিচিত পথত সাৱধানেৰে চলাওঁ। জি.পি.এচ ৰ সৈতে পথৰ অনিশ্চয়তাৰ বাবে মই একেবাৰে যুগুত হৈ থাকো। প্ৰায় সময়ত, মই ভাবো জীৱনটো জি.পি.এচ. ৰ সৈতেও আছে! আৰম্ভনীৰ পৰা শেষলৈকে দেখিবলৈ এইটো সহায়কাৰী হব।

মই আপোনাৰ বিষয়ে নাজানো, কিন্তু আৰম্ভ কৰাৰ আগতে তাৰ শেষটো কি ধৰণৰ হ'ব, তাকে জনাটো মোৰ পছন্দ। মই কলৈকে আগবাঢ়ি গৈ আছো তাকে নাজানিলে সেই কাৰ্য্য কৰাত মোৰ অসুবিধা হয়। মই ফলাফলটোৰ বিষয়ে প্ৰথমে চিন্তা কৰো, তাৰ পাছতহে কামটো আৰম্ভ কৰো। যি কি নহওক জীৱনটো তেনেদৰে নচলে। যেতিয়া এইবোৰক কমকৈ আশা কৰো তেতিয়া এইবোৰ

### Statement about ownership and other particulars about the Newspaper Echo of His Call (Assamese) - Form IV
### (See Rule 8)

| | | |
|---|---|---|
| 1. Place of Publication | : | **New No. 8 & 10, Old No. 18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai - 600 005.** |
| 2. Periodicity | : | **Monthly** |
| 3. Printer, Editor, Owner & Publisher | : | **S. Sam Selva Raj** (Same Address) |
| 4. Nationality | : | **Indian** |

I, **S. Sam Selva Raj** hereby declare that the particulars given above are true to the best of my knowledge and belief.

**March 2024** **S. Sam Selva Raj.**

অপ্ৰত্যাশিত প্ৰত্যাহবানবোৰক আমাৰ ওপৰত পেলায়। অকস্মাতে এজন প্ৰিয়জনৰ বিয়োগ, চাকৰীত সাল-সলনি, আৰ্থিক সমস্যাবোৰ বা সম্পৰ্কত অপ্ৰত্যাশিত ধুমুহাবোৰেই এজনে কেতিয়াও কল্পনা নকৰা বস্তুবোৰৰ এটা এটা উদাহৰণস্বৰূপ।

এনে অনিশ্চয়তাবোৰৰ সৈতে আমি কিদৰে মুকাবিলা কৰো? ২৭ বছৰে বিবাহিত জীৱন পাৰ কৰা এটি দম্পতিলৈ মোৰ আহবান, কিয়নো তেওঁলোকৰ ৩ টা ধুনীয়া সন্তান আছে আৰু তেওঁলোক বুজা শক্তিত আৰু যত্নৱানত জনাজাত আছিল। অকস্মাতে, মই শুনি পালো তেওঁলোক পৃথক হ'বলৈ সিদ্ধান্ত লৈছে, মই হতবাক হলো। যেতিয়া মই সেই মহিলা গৰাকীক এই বিষয়ে শুধিছিলো, তেওঁ কলে, "মই কেতিয়াও এইদৰে আশা নকৰা সময়ত মোক আঘাত কৰিলে, মই কেতিয়াও ভবা নাছিলো যে মোৰ জীৱনত এইদৰে ঘটিব পাৰে।"

এইটো বহুত কঠিন আৰু বেদনাদায়ক, তথাপিও সত্য সদায় একেই হৈ থাকে। এই সকলো পৰিস্থিতিত এটা কথা নিশ্চিত যে ঈশ্বৰ হৈছে বিশ্বাসী। ভয়, বেদনা, দুখ, ব্যৰ্থতা, পৰাজয়, সুখ আৰু আনন্দৰ মাজতো ঈশ্বৰ বিশ্বাসী হৈ থাকে।

গীতমালা ৭৭ঃ১৪ পদত বাইবেলে কয়, **তুমিয়েই সেই আচৰিত কৰ্ম কৰোতা ঈশ্বৰ, সকলো জাতিৰ মাজত তুমি তোমাৰ পৰাক্ৰমৰ পৰিচয় দিছা**- সেইটো প্ৰত্যেক পৰিস্থিতিত আছে।

এই অনিশ্চিত সময়বোৰত আমি ব্যক্তিগতভাৱে আৰু এটা মণ্ডলীৰ দৰে জানিব বিচাৰো যে ঈশ্বৰে আমাৰ মণ্ডলীৰ বাবে আৰু পৰিয়ালৰ বাবে কি কৰিবলৈ গৈ আছে।

সেই সকলোৰ ওপৰত ডাঙৰ প্ৰশ্নটো হৈছে, "এই সকলো পৰিস্থিতিৰ মাজত, ঈশ্বৰ ক'ত আছে"? এইটোৱেই অতি সাধাৰণ আৰু ভয়ানক প্ৰশ্ন।

বাইবেলে শিক্ষা দিয়ে, যে যেতিয়া মানুহবিলাকে নিৰুপায় হয়, ক'ত যাব তাক নাজানে, কিদৰে যাব লাগিব আৰু তেওঁলোকৰ ভৱিষ্যত পৰৱৰ্ত্তী ৰেখাৰ বিষয়ে নিশ্চিত নহয়, তেতিয়া তেওঁ আচৰিত কৰ্ম কৰে। অনিশ্চিত সময়! মই নাজানো যে আমাৰ কিমানজনে অনিশ্চিত সময়বোৰৰ মাজেদি গৈ আছে। কেতিয়াবা মোৰ জীৱনৰ পৰিৱৰ্ত্তন হবনে? আনকি যেতিয়া আপুনি প্ৰত্যাহবানৰ সময়বোৰৰ অভিজ্ঞতা পায় আছে, ঈশ্বৰ তেতিয়াও সিংহাসনত থাকে। তেওঁ এতিয়াও ৰাজত্ব কৰি আছে। তেওঁ আমাৰ জীৱনত কিছুমান পৰিস্থিতিক আহিবলৈ দিয়ে যাতে আমি তেওঁলৈ চাব পাৰিম আৰু তেওঁ সেই পৰিস্থিতিবোৰৰ যোগেদি মহিমান্বিত হ'ব পাৰিব।

ইস্ৰায়েলবিলাকৰ জীৱনটো আন কোনো উদাহৰণ হ'ব নোৱাৰে। তেওঁলোকে দাসত্বৰ বন্ধনৰ পৰা উদ্ধাৰ পাবলৈ ৪০০ বছৰ প্ৰাৰ্থনা কৰি আছিল। অৱশেষত ঈশ্বৰে আচৰিত কৰ্ম কৰিলে আৰু তেওঁৰ পৰাক্ৰমৰ পৰিচয়ক মিচৰীয়াবিলাকৰ মাজত দেখুৱালে মহামাৰী আনিলে, মৃত্যু দিলে, সাগৰক দুভাগ কৰিলে, মিচৰীয়া সৈন্যবিলাকক সেই একেটা সাগৰত ডুব যোৱালে আৰু যাৰ বাবে তেওঁলোকে সাগৰৰ পাৰলৈ যাব পাৰিলে, সেই আটাই ১০ টা মহামাৰীবোৰে ঈশ্বৰৰ পৰাক্ৰমৰ পৰিচয় মিচৰীয়াবিলাকৰ আগত দেখুৱালে। ঈশ্বৰে তেওঁলোকক এনেই উদ্ধাৰ কৰিব পাৰিলেহেঁতেন। তেওঁ কেৱল মিচৰীয়াবিলাকক জনাইছিল যে যিহোৱা কোন হয়। তেওঁ কিমান যে শক্তিশালী হয়! তেওঁ কি ধৰণৰ ঈশ্বৰ হয়! সময়ৰ পৰীক্ষাত থিয় দিয়ে। সেই গতিকে আমি এতিয়াও ২০২৪ চনত এই বিষয়ে কৈ আছো!

**অনিশ্চিত সময়ৰ সৈতে**
**আমি কিদৰে মোকাবিলা কৰি আছো?**

অনিশ্চিত সময়ত আমি অভিজ্ঞতা পোৱা অনুভৱবোৰ হৈছে- খেলিমেলি, সন্দেহ, প্ৰশ্ন কৰো, ভয় কৰো, উদ্বেগ, পৰিস্থিতিৰ বাবে আনক বদনাম কৰো, খং, নিৰুৎসাহ, বিৰক্তি, তিক্ততা, নিৰাশ, দুখ, অকলশৰীয়া, চিন্তা আৰু অন্ত নোহোৱাকৈ থকা বেজাৰ ইত্যাদি! গতিকে আমি "**বন্ধ কৰিমনে**" বা "**কন্ট্ৰলএলটি**" আৰু ভাও জুৰিম যে একো নঘটিব আৰু সোঁতৰ লগত গৈ থাকিম নে?

সেই সময়বোৰত আমি কি কৰিম?

**১। ঈশ্বৰৰ প্ৰতিশ্ৰুতিক ধৰি ৰাখক! কাৰণ তেওঁ আমাৰ ভৱিষ্যত জানে!!**

আপোনাৰ অজ্ঞাত ভৱিষ্যত ঈশ্বৰৰ হাতত গতাই দিয়ক।

আন বাক্যত কও, লাগি থাকক। কোনো মানৱিক উৎসৰ পৰিবৰ্ত্তে, যিকোনো কাৰ্য্য আৰম্ভ কৰাৰ আগতে বা পৰিকল্পনা কৰাৰ আগতে ঈশ্বৰৰ পৰা সহায় বিচাৰি প্ৰাৰ্থনা কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ। নতুন কাৰ্য কৰিবলৈ সিদ্ধান্ত লোৱাৰ আগতে ঈশ্বৰৰ বাক্যৰ পৰা নিশ্চিত কৰক।

অনিশ্চিয়তাৰ সময়ত, উদ্ধাৰ পাবলৈ, দাবী কৰিবলৈ, আশা কৰিবলৈ ঈশ্বৰৰ লোকসকলৰ বাবে তেওঁৰ প্ৰতিশ্ৰুতি আছে। আজি আপোনাৰ আশা ক'ত আছে? আপোনাৰ চেকবুকত নে আপোনাৰ চাকৰীৰ নিৰাপত্তাত আছে? যদি আপুনি কালি চাকৰি হেৰুৱাই দিয়ে, আপুনি তেতিয়াও ক'ব পাৰিবনে "**মোৰ একো**

....Contd. to page 6

NEHEMIAH BIBLE
RESIDENTIAL / EVENING COLLEGE,
Velachery / Chepauk & Santhoshapuram, Chennai.
ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE REACHING NATIONS
Medium : Hindi / Tamil
Registered Candidate for Membership
Asia Theological Association (ATA)
Regd. Candidate for Membership ATA NEHEMIAH BIBLE COLLEGE CHENNAI ECHO OF HIS CALL Estd: 1969
Recognised by International Christian Leaders &
Senior Pastors for the past 54 years
Qualification :
10th Standard & above
Certificate in Ministry
Diploma in Theology
Rush for admission!
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org
✶ ONLINE CLASSES ARE AVAILABLE ✶

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২৪ চনৰ ১৯ মাৰ্চৰ পৰা ২০২৪ চনৰ ১৮ এপ্ৰিললৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

মাৰ্চ ১৯ - আমাৰ বিবলেকৰ আৰু থিয়লজীকেল যোগাযোগ পাঠ্যক্ৰমৰ ওপৰত আশীৰ্বাদৰ বাবে,

মাৰ্চ ২০ - জানুৱাৰী ২৬ তাৰিখে আমাৰ নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আৰু আমাৰ কেন্দ্ৰ মণ্ডলীৰ যুৱক-যুৱতী সকলৰ বাবে মাহাবালীপুৰামত এদিনীয়া সভাত তেওঁৰ আশীৰ্বাদৰ বাবে।

মাৰ্চ ২১ - আমাৰ জেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক মন্দ শক্তিৰ পৰা ৰক্ষা কৰাৰ বাবে।

মাৰ্চ ২২ - ১৯৬৯ চনৰ পৰা আলোচনী পৰিচৰ্য্যালৈ আমাৰ অঙ্গীকাৰৰ ওপৰত তেওঁৰ আশীৰ্বাদ থকাৰ বাবে।

মাৰ্চ ২৩ - বিভিন্ন পৰিচৰ্য্যাবিলাকৰ যোগেদি আমাৰ জেষ্ঠ পালকে শুভবাৰ্তা বিলোৱাৰ বাবে।

মাৰ্চ ২৪ - আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, প্ৰকাশ অংশীদাৰসকল , বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু প্ৰধান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক আশীৰ্বাদ কৰাৰ বাবে।

মাৰ্চ ২৫ - আমাৰ মণ্ডলীত নতুন বিশ্বাসীসকলক অভিষেকৰ সৈতে আশীৰ্বাদ কৰাৰ বাবে।

মাৰ্চ ২৬ - আমাৰ নহিমিয়া বাইবেল কলেজৰ ওপৰত তেওঁৰ আশীৰ্বাদ থকাৰ বাবে।

মাৰ্চ ২৭ - আমাৰ সকলো সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক আশীৰ্বাদ কৰাৰ বাবে।

মাৰ্চ ২৮ - যুৱ আৰু শিশু যত্ন মন্ত্ৰনালয়ৰ বাবে আমাৰ গ্লবেল দৰ্শনক আশীৰ্বাদ কৰাৰ বাবে।

মাৰ্চ ২৯ - আমাৰ ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ বাবে নিষ্ঠাবান অধ্যক্ষ আৰু নিষ্ঠাবান শিক্ষক-শিক্ষয়ত্ৰীসকলক পাবলৈ তেওঁৰ আশীৰ্বাদৰ বাবে।

মাৰ্চ ৩০ - মিশ্বন কৰ্মীসকলৰ পৰা মহান অঙ্গীকাৰ পোৱাৰ বাবে।

মাৰ্চ ৩১ - আমাৰ ৰাজ্যিক পৰিচালকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত আশীৰ্বাদৰ বাবে

এপ্ৰিল ০১ - যোৱা মাহত আমাৰ সকলো আৱশ্যকীয় বস্তুসমূহ যোগোৱাৰ বাবে।

এপ্ৰিল ০২ - ৰাজনৈতিক আৰু ধৰ্মীয় বিৰোধিতাৰ মাজতো আমাৰ খ্ৰীষ্টিয়ান পৰিচৰ্য্যাসমূহ সমৃদ্ধিশালী হোৱাৰ বাবে।

এপ্ৰিল ০৩ - বিশৃঙ্খলা আৰু যুদ্ধৰ ভয়ৰ মাজতো সকলো দেশসমূহৰ ওপৰত স্বৰ্গীয় নিৰাপত্তা থকাৰ বাবে।

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

এপ্ৰিল ০৪ - এই পৃথিৱীত ঈশ্বৰৰ ৰাজ্য স্থাপন কৰিবলৈ ঈশ্বৰে আমাক আৰু অধিক দৰ্শনবোৰ দিবলৈ।

এপ্ৰিল ০৫ - ভাইৰেল জ্বৰ আৰু সংক্ৰামক ৰোগবিলাকৰ পৰা ৰক্ষা পাবলৈ।

এপ্ৰিল ০৬ - সমস্ত সম্ভৱপৰ উপায় আৰু ব্যৱস্থাত আমাৰ পৰিচৰ্য্যাসমূহৰ বিস্তাৰৰ বাবে।

এপ্ৰিল ০৭ - পৃথিৱীৰ ৰাষ্ট্ৰপতি, প্ৰধান মন্ত্ৰী আৰু সকলো চৰকাৰী বিষয়াসকলৰ বাবে।

এপ্ৰিল ০৮ - আমাৰ সমৰ্থনকাৰীসকল, শোভাকাঙ্খীসকল আৰু বন্ধুসকল যিবিলাকে তেওঁলোকৰ প্ৰাৰ্থনা আৰু আৰ্থিক সহায়ৰ দ্বাৰাই আমাক সহায় কৰে।

এপ্ৰিল ০৯ - আমাৰ সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

এপ্ৰিল ১০ - পৃথিৱীৰ যুৱ আৰু শিশুসকলে যীচু খ্ৰীষ্টক তেওঁলোকৰ ত্ৰাণকৰ্ত্তাস্বৰূপে গ্ৰহণ কৰিবলৈ।

এপ্ৰিল ১১ - সকলো দেশসমূহে সকলো দিশত আৰু আচঁনিবিলাকত একতা আৰু উন্নতি হবলৈ।

এপ্ৰিল ১২ - আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, প্ৰকাশ অংশীদাৰসকল, বিশ্বাসৰ অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ বাবে।

এপ্ৰিল ১৩ - কহা চফ্টৱেৰত নহিমিয়া বাইবেল কলেজৰ পুথিভৰালৰ পুস্তকবিলাক আপডেট কৰিবলৈ।

এপ্ৰিল ১৪ - পৃথিৱীৰ সকলো লোকবিলাকৰ প্ৰয়োজনীয় বস্তুৰ বাবে।

এপ্ৰিল ১৫ - আমাৰ পৰিচ্যাৰ বাবে আৰ্থিক সহায় পূৰ হবৰ বাবে।

এপ্ৰিল ১৬ - পৃথিৱীত যি আৰ্থিক দুৰ্ৰৱস্থাই দেখা দিছে, তাৰ অন্ত পৰিবৰ বাবে।

এপ্ৰিল ১৭ - মানুহবিলাকৰ ওপৰত ঈশ্বৰৰ অনুগ্ৰহ আহিবৰ বাবে।

এপ্ৰিল ১৮ - আমাৰ জেষ্ঠ পালক, এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালসকলক সকলো মন্দ শক্তিৰ পৰা নিৰাপত্তাৰ বাবে।

*(চতুৰ্থ পৃষ্ঠাৰ পৰা)*

**অভাৱ নাই, মোৰ ঈশ্বৰে মোৰ সকলো অভাৱবোৰ দূৰ কৰিব, ঈশ্বৰৰ মঙ্গলভাৱে মোক সন্তুষ্ট কৰিব"?**

অনিশ্চিয়তাৰ সময়ত বিশ্বাসী ঈশ্বৰৰ উপস্থিতিক বিচাৰক আৰু তেওঁক কঁওক কিয়নো তেওঁ আমাৰ ভৱিষ্যত জানে আমাৰ অহাকালি আৰু আমাৰ যোৱাকালিক জানে। তেওঁক আৰু তেওঁৰ বাক্যক ধৰি ৰাখক।

যাত্ৰাপুস্তক ৪ঃ২ পদ ইয়াত আমি পাওঁ যে ঈশ্বৰে মোচিক শুধিছে, **"তোমাৰ হাতত কি আছে? তেওঁ ক'লে লাখুটি"**। ইয়াত এটা আচৰিত কাৰ্য্য ঘটিলে, যেতিয়া মোচিয়ে তেওঁৰ পুৰণি কাঠৰ লাখুটিডাল ঈশ্বৰৰ হাতত দিলে তেতিয়া ঈশ্বৰৰ লাখুটি হৈ গৈছিল। সেই লাখুটিডালৰ শক্তিৰ সাক্ষ্য দিয়ক কিয়নো লাখুটিডাল ঈশ্বৰৰ লাখুটি বুলি গন্য হৈছিল।

যাত্ৰাপুস্তক ১৭ঃ৯ পদ.... **মোচিয়ে যিহোচুৱাক ক'লে কিছুমান লোকক মনোনীত কৰি বাহিৰলৈ ওলাই গৈ অমালেকৰ সৈতে যুদ্ধ কৰা। কাইলৈ মই ঈশ্বৰৰ লাখুটি হাতত লৈ পৰ্ব্বতৰ ওপৰত থিয় হ'ম**। ঈশ্বৰৰ সেই লাখুটিৰ সৈতে তেওঁলোকে যুদ্ধ কৰিলে।

যেতিয়া আমি মোচিৰ জীৱনলৈ চাওঁ, আমি এজন অনিচ্ছিত অংশগ্ৰহণকাৰীক দেখো কিয়নো তেওঁ প্ৰথমে অজুহাত দেখুৱাইছিল আৰু মিচৰলৈ যাব বিচৰা নাছিল। তেওঁৰ পৰিয়ালৰ কল্যাণৰ বিষয়ে, চলাওঁতা হিচাবে তেওঁ হেৰুৱা যোগাযোগ, এজন ৰাজকুমাৰৰ দৰে তেওঁ গোটোৱা প্ৰতিভাবোৰৰ বিষয়ে ফৰৌন ৰজাৰ আগত নিজকে পৰিচয় দিয়াৰ তেওঁৰ বাকপটুতাৰ অভাৱ আৰু যি ঠাইত তেওঁৰ নিজ লোকবিলাকে মূল্য নিদিব সেই ঠাইলৈ যাবলৈ ভয় কৰা, তেওঁৰ সেই অনিশ্চিয়তা সময়বোৰে প্ৰশ্ন উত্থাপিত কৰিছিল।

তেওঁৰ ভয় আৰু সন্দেহ থকাৰ স্বত্বেও যেতিয়া মোচিয়ে সেইটো এডাল অসাধাৰণ বস্তুলৈ পৰিণত হৈছিল কিয়নো ঈশ্বৰে আচৰিত কৰ্ম্ম কৰিব পাৰে আৰু তেওঁ তেওঁৰ পৰাক্ৰম দেখুৱাব পাৰে।

আজি আপোনাৰ হাতত যি আছে তাক ঈশ্বৰলৈ সমৰ্পিত কৰিবলৈ ইচ্ছা কৰিছেনে, যাতে ঈশ্বৰে আচৰিত কৰ্ম্মবোৰ প্ৰদৰ্শন কৰিবলৈ ব্যৱহাৰ কৰিব পাৰিব? আপোনাৰ ভয়, চিন্তা, প্ৰশ্ন, খেলিমেলি, সন্দেহ, উদ্বেগ, বৰ্ত্তমানৰ পৰিস্থিতিৰ বাবে আনক বদনাম কৰা, খং, নিৰুৎসাহ আৰু অন্যান্য ঋণাত্মক আবেগবোৰক তেওঁলৈ গতাই দিয়ক।

**এইবোৰক ঈশ্বৰৰ লাখুটিলৈ পৰিবৰ্ত্তন হবলৈ দিয়ক!**

### ২। ঐশ্বৰিক লোকসকলৰ সৈতে নিজকে তেওঁলোকৰ চাৰিওফালে আবদ্ধ কৰি ৰাখক যাতে তেওঁলোকে আপোনাৰ লগত খোজ মিলাই চলিব!

এইটোৱেই এটা কাৰণ যে আমি কিয় মণ্ডলীৰ দৰে আৰু পৰিয়ালৰ দৰে থাকিব লাগিব। যেতিয়া আপুনি আপোনাৰ জীৱনত অনিশ্চিয়তাৰ সময়ৰ মাজেদি যায় তেতিয়া আপোনাক শক্তি যোগাবলৈ আপোনাৰ লগত প্ৰাৰ্থনা কৰিবলৈ আৰু অকলশৰীয়া জীৱনত আপোনাক ধৰি ৰাখিবলৈ আপোনাৰ আশে-পাশে ঐশ্বৰিক লোকসকলক ৰাখক। আমাৰ লগত চলিবলৈ আৰু প্ৰাৰ্থনা কৰিবলৈ আৰু আত্মিক পৰামৰ্শ পাবলৈ হ'লে আমি মানুহৰ লগত সম্পৰ্কৰ উন্নতি কৰিব লাগিব।

আজি আপুনি বাচি লওক কাৰ লগত আপুনি নিয়মীয়া ভিত্তিত প্ৰাৰ্থনা কৰিব! এনে লোকক মনোনীত কৰক যিসকলে আপোনাক তেওঁলোকৰ আত্মিক দক্ষতাৰ সৈতে আশীৰ্বাদ কৰিব পাৰে বা এনে লোকক মনোনীত কৰক যাৰ বাবে আপুনি আপোনাৰ অভিজ্ঞতা আৰু দক্ষতাৰ সৈতে আত্মিক আশীৰ্বাদ হ'ব পাৰে। যদি আপুনি দুয়োটা কৰিব, তেন্তে সেইটো অধিক ভাল কথা হ'ব।

কেতিয়াবা দানিয়েলৰ জীৱনত হোৱাৰ দৰে এটা সময় আহিব পাৰে, যুৱক হৈ থকাৰ সময়ত অনিশ্চিয়তাত তেওঁৰ বন্ধু, পৰিয়াল, জন্মস্থান, আত্মীয় আৰু স্বাধী। ত্যাগ কৰিছিল, আৰু এখন অচিনাকি ঠাইলৈ এজন দাস হিচাবে গৈছিল (অনিচ্ছাকৃত অংশগ্ৰহণকাৰী)।

প্ৰথম অধ্যয়ত তেওঁ ঈশ্বৰৰ অনুগ্ৰহ পাইছিল সকলো ঠিকে- ঠাকে চলি গৈছিল আৰু দ্বিতীয় অধ্যায়ত অকস্মাতে দানিয়েলে এটা গভীৰ সংকটৰ সন্মুখীন হৈছিল।

**ৰজাই এটা সপোন দেখিলে আৰু "তেওঁ চিন্তিত হ'ল আৰু তেওঁ টোপনি যাব নোৱাৰিলে"। তেওঁৰ মন ইমানেই অস্থিৰ হৈছিল যে, তেওঁ শুব নোৱাৰিলে** (দানিয়েল ২)।

১২ পদ ঃ **এই কথা শুনাৰ পাছত ৰজা খঙাল আৰু অতিশয় ক্ৰোধান্বিত হৈ বাবিলৰ যিসকল লোক নিজৰ জ্ঞানসম্পন্নতাৰ দ্বাৰা পৰিচিত, তেওঁলোকক ধ্বংস কৰিবলৈ আজ্ঞা দিলে, যিজনে দানিয়েল আৰু তেওঁৰ বন্ধুসকলকো বধ কৰিবলৈ বিচাৰি ফুৰিছিল**। সকলো ঠিকে চলি থকাৰ সময়ত অকস্মাতে তেওঁ তেওঁৰ চাকৰী, খ্যাতি, দায়িত্ব আৰু সকলো স্বীকৃতিবিলাকক হেৰুৱাব লগা হৈছিল। ইমান কঠোৰ পৰিশ্ৰম কৰাৰ পাছতে সকলোখিনি ব্যৰ্থলৈগৈছিল।

তেওঁ কি কৰিলে? দানিয়েল অনিশ্চিয়তাৰ শীতল সময়ত সোমাই আছিল। তেওঁ কি কৰিলে? ১৭ আৰু ১৮ পদত **তেওঁ এই বিষয়ে তেওঁৰ বন্ধুসকলক অৱগত কৰিলে আৰু তেওঁলোকে লগে লগে প্ৰাৰ্থনা কৰিলে, তেওঁ তেওঁৰ একে বিশ্বাসৰ লোকসকলৰ সৈতে নিজকে আবদ্ধ কৰিলে যিসকলে তেওঁৰ লগত চলিব আৰু তেওঁ যোৱা পথটিক বুজি পাব।**

*....Contd. to page 9*

## NEHEMIAH BIBLE COLLEGE

## Graduation Service, 2023-2024



Venue : BKN Hall, Vepery, Chennai – 07.
Date : 1st June, 2024 (Saturday)
Time : 5.00 P.M.



About 50 students will complete their studies and will be sent to the mission field.

We need 75 students for the Tamil and Hindi courses for the academic year 2024-2025. Please pray for this request.

# PLEASE PRAY FOR OUR MINISTRIES AT THE HEAD QUARTERS

1. Prayer Service : 24 hours
2. **BIBLECOR -** Bible Correspondence Courses : English, Tamil & Hindi
3. **ECHO OF HIS CALL** - Monthly Magazines : English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan.
4. Nehemiah Bible Colleges (Three Centres) (Evening / Residential)
5. Theological Correspondence Courses: English & Tamil
6. Great Commission Partners (Network of Pastors)
7. Training Programmes
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools : 8.30 a.m. & 4.00 p.m. Sunday
13. **Tamil Services : 8.00 a.m. & 10.00 a.m. Sunday**
14. **Hindi Service : 4.00 p.m. Sunday**
15. **Telugu Service : 5.00 p.m. Sunday**
16. **English & Tamil Service : 6.00 p.m. Sunday**
17. Women's Prayer : 5.30 p.m. Wednesday
18. Men's Prayer : 7.00 p.m. Friday
19. Discipleship Meeting : 6.00 p.m. Saturday
20. House Meetings : 6.30 p.m. Tuesday & Thursday
21. Special Holy Communion : 6.00 a.m. 1st day of each month
22. Ministers Review Meeting : 5.30 p.m. First Saturday
23. Parents' Prayer : 4.00 p.m. First Sunday
24. Night Prayer : 9.30 p.m. Second Friday
25. Fasting Prayer : 9:30 a.m. Third Saturday
26. Holy Communion : Second Sunday Services
27. Youth / Kid Prayer : 10.00 p.m. daily
28. Staff Devotion : 9.00 a.m. daily
29. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাছুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, **Post Box 2957**
CHEPAUK, CHENNAI - 600 005.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্বন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**“যিজনে পঢ়ে, তেওঁ বুজক” মথি ২৪ ঃ ১৫**

**তোমালোকে ভৰি দিয়া ঠাইক মই তোমালোকক দিম!**

**যি যি ঠাইত তোমালোকে ভৰি দিবা, সেইবোৰ ঠাই তোমালোকক দিলোঁ।.... (যিহোচূৱা ১ঃ৩)**

১৯৭৩ চনৰ কথা ! গ্ৰীষ্মকালীন সময়, গৰম ঋতু এপ্ৰিল/মে’ মাহ ! চেন্নাইৰ টাম্বাৰামত থকা কৰ্লী হাই স্কুলৰ যুৱক আৰু যুৱতীসকলৰ বাবে এটা ‘তিনি দিনীয়া সভাৰ’ আয়োজন কৰা হৈছিল। যুৱক আৰু যুৱতীসকলৰ জাগৰণৰ বাবে ‘ব্লেচিং ইউথ মিশ্বন’ বুলি নাম দিয়া, স্থাপক ভাই আৰ. ষ্টেনলীয়ে অনুপ্ৰেৰনামূলক আৰু শক্তিশালী বাৰ্ত্তা দি আছিল। আজি পৰ্য্যন্ত তেওঁ খ্ৰীষ্টিয়ান পৰিচৰ্য্যাত এজন মহান চলাওঁতাৰ দৰে আছে।

ময়ো তেওঁৰ সভাবিলাকত অংশ গ্ৰহণ কৰিছিলো। তেতিয়া মোৰ বয়স ২৩ বছৰ হৈছিল আৰু মই চৰকাৰী চাকৰীৰ লগতে ঈশ্বৰৰ কাৰ্যও কৰিছিলো। সেইদিনা মই মোৰ জীৱনত এটা প্ৰত্যাহবানযুক্ত অভিজ্ঞতা লাভ কৰিছিলো।

তৃতীয় দিনা দুপৰীয়া আহাৰৰ পাছত সেই তিনি দিনীয়া সভাখনৰ সমাপ্ত পৰিল। প্ৰত্যেকেই বাচ আৰু ৰেলগাড়ীৰে ঘৰলৈ উভতি যোৱাৰ বাবে সাজু হৈ আছিল।

কিন্তু মই হ’লে আত্মাৰ উপস্থিতিৰ বাবে প্ৰায় এঘন্টা ধৰি কৰ্লী হাই স্কুলৰ গেটৰ সন্মুখত থিয় হৈ আছিলো। ঈশ্বৰৰ দাস ভাই আৰ ষ্টেনলীয়ে কোৱা প্ৰতিটো বাক্য মোৰ আত্মিক চকুৰ আগত আহি আছিল।

পৱিত্ৰ আত্মাই তেওঁৰ কোমল আৰু শান্ত স্বৰে মোলৈ কথা কৈ আছিল। সেই গতিকে মই মোৰ ঠাইলৈকে যাব পৰা নাছিলো। কিন্তু বিপৰীতে মোৰ টাম্বাৰামলৈ চলাই লৈ যোৱা হ’ল - ৰ’দৰ প্ৰকোপৰ দিনৰ সময়ত চেন্নাইৰ ভেলাচেৰীৰ ৰাজপথত। সভাৰ সময়ত মোৰ লগত থকা যুৱক-যুৱতীসকলে মোক দেখি ভাবিছিল যে মোৰ হাতত বাছ বা ৰেলগাড়ীৰ টিকট কিনিবলৈ টকা নাই বাবে খোজেৰে গৈ আছো। তেওঁলোকে বাহনৰ ভিতৰৰ পৰা দুখ মনেৰে মোলৈ চাই আছিল।

কিন্তু মই মনত কোনো দুখ অনুভৱ কৰা নাছিলো। মই খোজ কাঢ়ি গৈ থাকোতে বাটত যাকে দেখিছিলো তাকে শুভবাৰ্ত্তাৰ্ব পত্ৰিকা দিছিলো আৰু বাটৰ দুয়োকাষে থকা প্ৰতিটো ঘৰৰ ভিতৰত সোমাই ঘৰত থকা লোকসকলকো পত্ৰিকা বিলাইছিলো। সেইদিনা মই ১২ কিঃমিটাৰতকৈয়ো অধিক দূৰত্বলৈকে খোজ কাঢ়িছিলো। মোৰ ভোক লাগিছিল, মোক পিয়াহ লাগিছিল আৰু মোৰ চেণ্ডেলৰ ফিতাও ছিঙি গৈছিল। মই যিদৰে তপত সূৰ্য্যৰ তলত হাতত ছিঙা চেণ্ডেলযোৰ লৈ বাটত খোজকাঢ়ি গৈ আছিলো, পথযাত্ৰীসকলে মোলৈ দয়া আৰু সহানুভূতিৰে চাই আছিল। মই যেতিয়া ভেলাচেৰীলৈ গৈ পাইছিলো, মোৰ হাতত থকা আটাই শুভবাৰ্ত্তামূলক পত্ৰিকা বিলাই শেষ হৈ গৈছিল। তাৰোপৰি সেই সময়ত মানুহৰ চলাচলো কমি গৈছিল।

মোৰ এনে অনুভৱ হৈছিল যেন স্বৰ্গখন খোলা হ’ল আৰু স্বৰ্গৰ পৰা অন্যান্য চকুৰ সৈতে দুটা চকুৱে মোৰ কঠিন অৱস্থাক চাই আছিল। মই শাৰীৰিকভাৱে ভাগৰি পৰিছিলো কিন্তু আত্মাত মই শান্তি থকা যেন অনুভৱ কৰিছিলো। নিশাতে মই চেন্নাইৰ চেপাকত গৈ পাইছিলো।

দিনবোৰ অতিবাহিত গৈ গৈছিল। বছৰবোৰো অতিবাহিত হ’ল। সেইদিনা যি ঠাইবিলাকত মই খোজকাঢ়িছিলো তাৰ পৰা মোক অনেক আত্মিক লোকবিলাকক দিলে বাটত তেওঁ মোক ভাই দুৰাই আৰু তেওঁৰ ভাৰ্য্যা ভনী ফেন্নেলা, তেওঁৰ পৰিয়াল আৰু সকলো আবিৰ্ভাব মিশ্বন মণ্ডলীৰ পালকসকলৰ সৈতে এটা গভীৰ সম্পৰ্ক দিছিল। ১৯৯৭ চনত, চন্তোচা নামে যি ঠাইত মই খোজেৰে গৈছিলো সেই ঠাইত ঈশ্বৰে মোক এটি মণ্ডলী আৰু এখন ইংৰাজী মাধ্যমৰ হাইস্কুল (**চেইন্ট পৌল’চ মেট্ৰিকুলেশ্বন স্কুল**) দিয়াৰ দ্বাৰাই আশীৰ্বাদ কৰিলে। ভেলাচেৰীত মই খোজ কঢ়া বন্ধ কৰিছিলো, তাত মোক ঈশ্বৰে এখন মণ্ডলী স্থাপন কৰিবলৈ আৰু লগতে এখন সম্পূৰ্ণ সময় হিন্দী বাসগৃহ **নহিমিয়া বাইবেল কলেজ** চলাবলৈ সমৰ্থ কৰিলে। ঈশ্বৰে তেওঁৰ সন্তান ভাই এডাউইনক মোৰ পৰিচৰ্য্যাৰ বাবে তেওঁৰ সম্পত্তিক দান দিবলৈ কলে, যাতে মই মোৰ মণ্ডলীৰ বাবে আৰু **নহিমিয়া বাইবেল কলেজৰ** বাবে ব্যৱহাৰ কৰিব পাৰো।

এতিয়া এই দুটা পৰিচৰ্য্যা আমাৰ **তেওঁৰ আহবানৰ পৰিচৰ্য্যাবিলাকৰ** দুটা চকুৰ দৰে চলি আছে।

ঈশ্বৰে মোক পৱিত্ৰ আত্মাৰ অনুপ্ৰেৰণাৰ দ্বাৰাই চলালে আৰু সেই কঠিন অৱস্থাৰ মাজেদি যাবলৈ সহায় কৰিলে। বাটতো কঠিন আছিল, কিন্তু শেষত এটি মহান বিজয় পালো।

প্ৰিয় ভাই আৰু ভনীসকল, আপোনাকো ঈশ্বৰে এইদৰে কোৱাটো আপুনি কেতিয়াবা শুনিছেনে? কেতিয়াবা আপুনি এইদৰে শুনাৰ লগে

লগে পালন কৰিছেনে? আপুনি কেতিয়াবা ঈশ্বৰৰ নির্দ্দেশমতে পালন কৰিছেনে? বা, ঈশ্বৰে যি পৰিচর্য্যা আপোনাক কৰিবলৈ দিছে, তাৰ পৰিবৰ্ত্তে আপুনিও যোনাৰ দৰে আপোনাক আনন্দ আৰু নিৰাপত্তা দিয়া আন আন পৰিচৰ্য্যা কৰি আছেনে? অনেক মানুহ তেওঁবিলাকৰ সুবিধা অনুযায়ী পৰিচর্য্যা কৰি আছে আৰু ভাৱে যে এইটো ঈশ্বৰৰ ইচ্ছা আপুনিও তেওঁলোকৰ মাজত এজন নে কি?

যিজন ঈশ্বৰে যিহোচুৱাৰ প্ৰতিশ্ৰুতি দি কৈছিল যে যি ভুমিৰ ওচৰত তেওঁৰ ভৰি দিছিল সেই ভুমি তেওঁক দিব, আৰু ঈশ্বৰে তেওঁৰ প্ৰতিশ্ৰুতিক পৰিপূৰ্ণ কৰিলে (যিহোচুৱা ১৮ঃ৯)। তেওঁ আপোনাৰ লগতো এইদৰে কৰিব যিজন ঈশ্বৰে আপোনাক আহ্বান কৰিব তেওঁ বিশ্বাসী!

তেওঁৰ বাধ্য হওক আৰু তেওঁৰ ইচ্ছাক পালন কৰক এই পৃথিৱীলৈ জীৱিত ঈশ্বৰক নিৰবলৈ আগবাঢ়ি আহক। নিশ্চয় বিজয়ী হব !

❖❖❖❖❖

*....Contd. from page 6*

তেওঁলোকে প্ৰাৰ্থনা কৰিলে আৰু আমি জানো তেতিয়া কি ঘটিছিল। ঈশ্বৰে তেওঁৰ ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে তেওঁলোকলৈ প্ৰকাশ কৰিলে।

আমাৰ ঈশ্বৰ মহান। গতিকে ঐশ্বৰিক লোকসকলৰ সৈতে নিজকে আৱদ্ধ কৰি ৰাখক।

## ৩। তোমালোক ক্ষান্ত হোৱা মই যে ঈশ্বৰ ইয়াকে জানা ! গীতমালা ৪৬ঃ১০

অনিশ্চিয়তাৰ অনুভৱে আপোনাৰ মগজুত প্ৰিফ্ৰন্টলৈ কৰটেক্সলৈ লৈ যাব পাৰে "বন্ধ হৈ যাব", আপুনি সমস্যাৰ সমাধান কৰা ক্ষমতা, মনোযোগ দিয়া, আৰু স্থিৰ হৈ থকাৰ ক্ষমতাক ক্ষতি কৰিব পাৰে। এইদৰে হ'লে আপোনাৰ আযুক্তিক আচৰণৰ বৃদ্ধি হ'ব পাৰে আৰু আপোনাক অধিক উদ্বেগ, হতাশা আৰু চাপৰ বৃদ্ধি হ'ব পাৰে। সেই গতিকে আপোনাৰ হৃদয়ক ঈশ্বৰৰ সত্যতাৰ ওপৰত ধ্যান কৰাত লগাওক, এইটোৱেই গুৰুত্বপূৰ্ণ বিষয়।

নিস্তদ্ধতা হৈছে এটি শৃঙ্খলা যিয়ে ক্ৰমাগত সচেতন অনুশীলন লয়।

নিস্তদ্ধতাৰ কাৰ্যই আমাৰ ইন্দ্ৰিয়ক তীক্ষ্ণ কৰে আৰু আমাৰ বৰ্ত্তমান পৰিস্থিতিত ঈশ্বৰৰ উপস্থিতিৰ বিষয়ে আৰু অধিক সচেতন কৰি তোলে।

যেতিয়া আমি বিভ্ৰান্ত হওঁ আমি পৰ্ব্বতবোৰৰ ফালে চকু তুলি ক'ব লাগিব, যি জনাই আকাশ-মণ্ডল আৰু পৃথিৱী সৃষ্টি কৰিলে, সেই যিহোৱাৰ পৰা মোৰ সহায় আহিব। তেওঁ পৃথিৱী আৰু সমুদ্ৰক কঁপাই। তেওঁ দুৱাৰবোৰ মেলে আৰু বন্ধ কৰে।

ঈশ্বৰৰ উপস্থিতিত ক্ষান্ত মনে থাকক অৰ্থাৎ ঈশ্বৰৰ উপস্থিতিত গৈ বহক আৰু মনে মনে থাকক তেওঁক একো নকব, তেওঁৰ পৰা কোনো কথা নুশুনালৈকে অপেক্ষা কৰি থাকক, তেওঁৱেই হৈছে আপোনাৰ বিশ্বাসৰ লেখক আৰু তাক পূৰ্ণ কৰোঁতা ঈশ্বৰ। **ঈশ্বৰৰ যুদ্ধক নিজৰ কৰি নলব।**

যেতিয়া আপুনি ঈশ্বৰৰ উপস্থিতিলৈ যায়ঃ

১) আপোনাৰ সীমাবদ্ধতাক স্বীকাৰ কৰক আপোনাৰ অনুভূতিৰ নাম লওক।

২) আপোনাৰ যি আছে তাক ঈশ্বৰক দিয়ক - লাখুটি আৰু তাক ঈশ্বৰৰ লাখুটি হ'ব দিয়ক /ইয়াক মোকাবিলা কৰাটো ঈশ্বৰৰ দায়িত্ব হয়।

৩) ঈশ্বৰৰ প্ৰতিশ্ৰুতিক স্বীকাৰ কৰিবলৈ আৰম্ভ কৰক যদি আপুনি স্বীকাৰ কৰিব বিচাৰে তেন্তে মুখস্থ কৰক !

৪) **যিহোৱাই তোমালোকৰ বাবে যুদ্ধ কৰিব আৰু তোমালোক কেৱল নিৰৱে থাকা।** যাত্ৰাপুস্তক ১৪ঃ১৪।

প্ৰিয় বন্ধুসকল,

আপোনাৰ আশে-পাশে যিসকলে চলি যাব বিচাৰে সেই বিশ্বাসী লোকসকলক পাবলৈ অনুগ্ৰহ কৰি ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক। ঈশ্বৰৰ উপস্থিতিত নিৰৱে থাকিবলৈ আৰু **নিৰৱতাত তেওঁৰ পৰা শিকিবলৈ তেওঁলৈ প্ৰাৰ্থনা কৰক যিদৰে যিচয়া৩০ঃ১৫ পদত পাওঁ.. নিৰৱতাত আৰু বিশ্বাসত তোমালোকৰ শক্তি হ'ব।**" মনত ৰাখিব, আপোনাৰ জীৱনত যি ঘটিলেও আৰু আপোনাৰ পৰিস্থিতি যিমানে বেয়া হ'লেও, সৰ্ব্বশক্তিমান ঈশ্বৰত ভৰসা ৰাখক। তেওঁ সকলো বেকা পথবোৰক পোন কৰে কিয়নো **তেওঁ আচৰিত কৰ্ম কৰোঁতা ঈশ্বৰ** (গীতমালা ৭৭ঃ১৪)।

❖❖❖❖❖


# URGENT

We require approximately 1000 Hindi Christian books for **our Nehemiah Bible Colleges**. Kindly inform us about the possibility of obtaining theological Hindi books.

**Please stop sending books in English and Tamil languages.** Thank you.

- Pr. S. Sam Selva Raj, Editor
+91-98412 71858

# URGENT NEED

**PRINCIPAL & TEACHERS for**

**ST. PAUL'S MATRICULATION SCHOOL,**

**An *Echo of His Call* Institution**

**Vijayanagaram, Medavakkam, Chennai - 100.**

We need well qualified, experienced, dedicated, hard working and mission oriented Christians.

Apply with Bio-data to
E.mail: sam@echoofhiscall.org
WhatsApp: (+91) 98412 71858

# WANTED for

**NEHEMIAH BIBLE COLLEGE of ECHO OF HIS CALL, Chennai**
(ATA - Registered Candidate for Membership)

**DEAN (Residential):**
Hindi Theologian with M.Div. / M.Th. Degree & experience. Boarding, Lodging and Salary will be paid.
Eligible candidates may send bio--data to:
E.mail: sam@echoofhiscall.org
WhatsApp: (+91) 98412 71858

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## Echo of His Call

### ইউ টিউব

**অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক**

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

**- সম্পাদক**

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা    জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/24-26**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 12th** MARCH 2024
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

*JESUS LOVES YOU!*

**To**

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**